অধ্যায় ১২ ঃ শাসনাধিকাৰ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ শাসনাধিকাৰৰ গুৰুত্ব
১২.৪ মূল পাঠ্যাংশ
১২.৫ অসমীয়া ভাৱানুবাদ
১২.৬ বিশিষ্ট শব্দৰ অর্থ
১২.৭ বিভিন্ন প্রসংগৰ আলোচনা
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্রগতিৰ খতিয়ান
১২.১১ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আচার্য কৌটিল্যই ৰচনা কৰা অর্থশাস্ত্রত থকা শাসন সম্বন্ধীয় কথাবোৰ জানিব
- শাসন শব্দৰ পাৰিভাষিক অর্থ অৱগত হ'ব
- এই অংশত নির্ধাৰিত মূল পাঠ্যাংশৰ লগত পৰিচিত হ'ব
- উক্ত অধ্যায়ত থকা বিশিষ্ট শব্দবোৰৰ অর্থ জানিব পাৰিব
- শাসনসম্পর্কীয় প্রসংগবোৰৰ বিশদ ব্যাখ্যাৰ লগত পৰিচিত হ'ব।

১২.২ পৰিচয়

আপুনি ইতিমধ্যে আচার্য কৌটিল্যপ্রণীত অর্থশাস্ত্র নামৰ গ্রন্থখনৰ লগত পৰিচিত হৈছে। তদুপৰি এই গ্রন্থত সন্নিবিষ্ট বিভিন্ন বিষয়ৰ কথা জানিছে। উক্ত গ্রন্থত ব্যৱহাৰ হোৱা বিভিন্ন পাৰিভাষিক শব্দৰ অর্থৰ বিষয়ে জানিছে। বর্তমান অধ্যায়ত আপুনি অর্থশাস্ত্রৰ অন্তর্গত অধ্যক্ষপ্রচাৰ শীর্ষক দ্বিতীয় অধিকৰণৰ 'শাসনাধিকাৰ' নামৰ দশমাধ্যায়ত থকা বিষয়বস্তুৰ আলোচনা পাব। শাসন শব্দটোৱে প্রাচীন ভাৰতৰ ৰাজনীতি বা দণ্ডনীতিত এক বিশেষ অর্থ বহন কৰে। শাসন শব্দটোৱে এই প্রসংগত লিখিত অনুশাসনক বুজায়। প্রাচীন ভাৰতৰ ৰাজ্যশাসনৰ মূলতেই আছিল এই লেখবোৰ। শাসনৰ ওপৰত ভিত্তি কৰিহে ৰজাই যুদ্ধ-মৈত্রী আদি কার্যত উপনীতি হৈছিল। সাম-দাম-ভেদ-দণ্ডৰূপী ৰাজ্যশাসনৰ চতুর্স্তম্ভো সম্পূর্ণভাৱে শাসননির্ভৰ আছিল প্রাচীন

ভাৰতবর্ষত। এই ক্ষেত্রত আমি সম্রাট অশোকৰ লেখসমূহৰ বিষয়ে ক'ব পাৰো। বিভিন্ন শিলালিপিত থকা এই লেখসমূহে সম্রাট অশোকৰ দিনত চলি থকা ৰাজ্য শাসন পদ্ধতিৰ বিভিন্ন বিষয়ৰ ধাৰণা দিয়ে। গতিকে শাসনবিষয়ক অধ্যয়নেৰে নির্দিষ্ট সময়ৰ ৰাজনীতিবিষয়ত বহুতো কথাৰ ধাৰণা ওপজে। এই উদ্দেশ্য আগত ৰাখি এইখিনিতে বর্তমান অধ্যায়টোৰ বিষয়বস্তু প্রস্তুত কৰা হৈছে। অর্থশাস্ত্রত থকা শাসনাধিকাৰত শাসন কি, শাসনৰ গুৰুত্ব কি, শাসন কোনে লিখিছিল, শাসনৰ গুণ তথা দোষ কি, শাসনৰ প্রকাৰভেদ তথা বিভিন্ন প্রকাৰৰ শাসনৰ বিশেষ গুৰুত্ব, ৰাজ্যশাসনৰ উপায়সমূহ— এই সকলো কথা বিশদভাৰে আলোচনা কৰা হৈছে। এই বিষয়সমূহৰ অধ্যয়নে পাঠকৰ মনত অনুসন্ধিৎসা তথা জিজ্ঞাসাৰ সৃষ্টি কৰিব। লগতে শাসন সম্বন্ধীয় অধ্যয়নে আগলৈ ৰাজনীতিসম্বন্ধীয় আন বহুতো বিষয়ৰ অধ্যয়নত সহায়ক হ'ব বুলি আশা কৰা যায়। এই সকলো কথা চিন্তা কৰি আপোনাৰ পঠনীয় বিষয় হিচাপে বর্তমান অধ্যায়টোক সংযুক্ত কৰা হৈছে।

১২.৩ শাসনাধিকাৰৰ গুৰুত্ব

আচার্য কৌটিল্য প্রণীত অর্থশাস্ত্রত উপনিবদ্ধ 'শাসনাধিকাৰ' শীর্ষক অধ্যায়টোৰে এক বিশেষ স্থান অধিকাৰ কৰি আছে। তাম্রপত্র, ভূর্জপত্র আদিত ৰাজ্য শাসন সম্বন্ধীয় লিখিত বিধিসমূহকেই শাসন বা লেখ বুলি অভিহিত কৰা হয়। এই লেখসমূহত সন্নিবিষ্ট অনুশাসনমূলক বিধিসমূহৰ ওপৰত ভিত্তি কৰি ৰাজ্য শাসন পদ্ধতি প্রবর্তিত হৈছিল প্রাচীন ভাৰতবর্ষত। যিহেতু শাসনৰ লগত লিখা কার্যৰ গুৰুত্বপূর্ণ সংযোগ আছিল সেই কাৰণে শাসন বা ৰাজলেখ প্রসংগত লেখকৰ গুৰুত্ব আছিল অপৰিসীম। লেখক নির্বাচন কৰোতে বিভিন্ন গুণাবলীৰ বিষয়ে দৃষ্টিপাত কৰা হৈছিল। নির্দিষ্ট গুণসম্পন্ন মানুহকে শাসনৰ লেখক হিচাপে নিযুক্তি দিয়া হৈছিল। তদুপৰি শাসনৰ ক্ষেত্রত বিভিন্ন বিষয়ৰ ধাৰণা সংযুক্ত কৰিহে লেখকে লেখ নির্ধাৰণ কৰিছিল। লেখসমূহত থকা বর্ণ, অক্ষৰ, শব্দ, অর্থ, ভাব আদিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। কাৰণ লেখবোৰত থকা তথ্যসমূহে এটা নির্দিষ্ট সময়ৰ দলিল হিচাপে ব্যৱহাৰ হৈছিল। তদুপৰি লেখৰ প্রসংগত অর্থবোধত যাতে ক্লিষ্টতা আদি দোষ নাথাকে সেই বিষয়ে মনোযোগ দিয়া হৈছিল। এইফালৰ পৰা বিচাৰ কৰিলে ক'ব পাৰা যায় যে শাসনাধিকাৰত থকা বিষয়বস্তুৰ জৰিয়তে ৰাজদৰবাৰত উপস্থাপনীয় বিষয়সমূহৰ প্রস্তুতকৰণত অনুসুত নিয়মবোৰৰ বিষয়ে যথেষ্ট জ্ঞান লাভ কৰা যায়। প্রকৃততে তথ্য উপস্থাপনেৰে ৰাজলেখৰ লেখপদ্ধতি কেনেকুৱা হ'ব লাগে সেইবিষয়ে স্পষ্টকৈ জনা যায় শাসনাধিকাৰত থকা বিষয়বস্তুৰ অধ্যয়নৰ জৰিয়তে। তদুপৰি বিভিন্ন প্রকাৰৰ লেখৰ ভিতৰত বিভিন্ন তথ্যৰ সংযোজন প্রয়োজনীয় হোৱা বাবে এই লেখসমূহৰ ঐতিহাসিক মূল্যও যথেষ্ট। তদুপৰি, ৰাজ্য শাসনকালত কোনজন ৰজাই কি বিশেষ নীতি অনুসৰণ কৰিছিল সেই বিষয়েও সন্ধান পোৱা যায় এই লেখসমূহত। ইয়াৰ উপৰিও, ৰজাই কোন কোন বিষয়ৰ ওপৰত গুৰুত্ব দি সাম, দান, ভেদ, দণ্ডৰ প্রয়োগ কৰিব বা কোন ৰজাৰ লগত মৈত্রী স্থাপন কৰিব বা কোন ৰজাৰ বিৰুদ্ধে যুদ্ধ যাত্রাত সাজু হ'ব— এই আটাইবোৰ ৰাজ্য শাসন পদ্ধতিমূলক

গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনা লিপিবদ্ধ হয় শাসনত।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে কৌটিল্যৰ পূৰ্ববৰ্তী বহুতো ৰাজনীতিজ্ঞ, দণ্ডশাস্ত্ৰজ্ঞ বা ধৰ্ম শাস্ত্ৰ প্ৰণেতাই এই বিষয়সমূহৰ ওপৰত তেওঁলোকৰ অভিমত দাঙি ধৰিছে। উক্ত বিষয়ৰ উৎস গ্ৰন্থসমূহত থকা বহুতো মূল্যবান আলোচনাই সময়ৰ দস্তাবেজ হৈ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সহায়ক হিচাপে নিৰ্ধাৰিত হৈছে। কিন্তু আচাৰ্য কৌটিল্যই এই বিষয়ে অধ্যয়নলব্ধ বিষয়ৰ লগত বাস্তৱসন্মত অভিজ্ঞতাকো সমল কৰি লৈছে বুলি শাসনাধিকাৰত স্পষ্টকৈ ব্যক্ত কৰিছে। শাসনাধিকাৰৰশেষ পৰ্যায়ত মহামতি কৌটিল্যই কৈছে যে তেওঁ সকলো শাস্ত্ৰ অধ্যয়ন কৰি আৰু সেইবোৰৰ উপযোগ বা প্ৰয়োগ চালিজাৰি চাইহে ৰাজ্যশাসনৰ উপকাৰক বিধি হিচাপে সাসন সম্বন্ধীয় কথাবোৰ লিপিবদ্ধ কৰিছে। তেওঁ কৈছে—

সৰ্বশাস্ত্ৰান্যনুক্ৰম্য প্ৰয়োগমুপলভ্য চ।
কৌটিল্যেন নৰেন্দ্ৰাৰ্থে শাসনস্য বিধিঃ কৃতঃ।।

গতিকে অৰ্থশাস্ত্ৰৰ অন্তৰ্গত শাসনাধিকাৰত কেৱলমাত্ৰ পূৰ্বৱৰ্তী পণ্ডিতসমূহে আগবঢ়োৱা কথাবোৰ সন্নিবিষ্ট হৈ থকা নাই। ইয়াৰ উপৰিও সেই বিধিসমূহৰ প্ৰয়োগলব্ধ অভিজ্ঞতা বা আলোচনাও এই অংশত নিহিত হৈ আছে। সেইফালৰ পৰা বিচাৰ কৰিলে ক'ব পাৰা যায় যে শাসনাধিকাৰসম্পৰ্কীয় বিষয়বোৰ আচাৰ্য কৌটিল্যৰ সমাজতাত্ত্বিক দৃষ্টিভংগীৰ প্ৰতিফলিত সমল আৰু উক্ত বিষয়বোৰৰ উপস্থাপনাৰে কৌটিল্যই তেওঁৰ সময়ৰ ভাৰতবৰ্ষৰ ৰাজনীতিত চলি থকা বহুতো গুৰুত্বপূৰ্ণ কথাক দাঙি ধৰিবলৈ সমৰ্থ হৈছে।

তদুপৰি লিখিত অনুশাসনবোৰ যে ৰাজ্য শাসন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেই বিষয়েও স্পষ্টকৈ ধাৰণা দিয়া হৈছে উক্ত অধ্যায়ত। শাসনাধিকাৰৰ গুৰুত্ব বা মহত্বৰ বিষয়ে ক'বলৈ গ'লে এটা কথা দ্বিধাহীনভাবে স্বীকাৰ কৰি ল'ব লাগে যে এই অধ্যায়ত আচাৰ্য কৌটিল্যই 'লেখসম্পদ' বা 'লেখদোষ' হিচাপে যিখিনি আলোচনা প্ৰতিষ্ঠিত কৰিছে— সেইবোৰ কেৱল মাত্ৰ ৰাজলেখ বা ৰজাৰ অনুশাসনৰ গুণ বা দোষ হৈ থকা নাই। সেই বিষয়বোৰক যিকোনো ধৰণৰ লেখনিৰ গুণ বা দোষ হিচাপে নিৰীক্ষণ কৰিব পাৰি। ফলস্বৰূপে কৌটিল্যই 'লেখসম্পদ' হিচাপে যিবোৰ গুণৰ কথা ব্যক্ত কৰিছে সেইবোৰ বৰ্তমান কালতো কোন এটা ৰচনা বা লেখনিৰ অলংকাৰ হিচাপে পৰিগণনীয় হয় আৰু একেদৰে উক্ত গ্ৰন্থত 'লেখদোষ' প্ৰসংগত যিবোৰ দুৰ্বলতাৰ বিষয় অন্তৰ্ভুক্ত হৈছে সেইবোৰ বৰ্তমান সময়ৰ লেখনিৰ বাবেও দোষ বা দুৰ্বলতা হিচাপে নিৰ্ধাৰিত হয়। এই দৃষ্টিভংগীৰে চাই ক'ব পৰা যায় যে অৰ্থশাস্ত্ৰ গ্ৰন্থৰ অন্তৰ্গত 'শাসনাধিকাৰ' অংশৰ বিষয়বস্তুখিনিৰ প্ৰাসংগিকতা বৰ্তমান সময়তো যথেষ্ট।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শাসনাধিকাৰ অংশত কি বিষয়ক মূল হিচাপে লোৱা হৈছে?

.....

প্ৰশ্ন নং ২ ঃ শাসন বুলিলে কি বুজায়।

.....

প্ৰশ্ন নং ৩ ঃ শাসনাধিকাৰৰ বৈশিষ্ট্য কি?

.....

প্ৰশ্ন নং ৪ ঃ শাসনাধিকাৰশীৰ্ষক অংশত থকা বিষয়বস্তুৰ বৰ্তমান সময়ত প্ৰাসংগিকতা আছে নে?

.....

প্ৰশ্ন নং ৫ ঃ শাসনাধিকাৰ অংশৰ বিষয়বস্তু যুগুত কৰোতে আচাৰ্য কৌটিল্যই কি প্ৰক্ৰিয়া অনুসৰণ কৰিছিল?

.....

প্ৰশ্ন নং ৬ ঃ শাসনাধিকাৰসম্বন্ধীয় বিষয়সমূহৰ লগত ৰজাৰ উপৰিও কোনে গভীৰভাৱে সংযুক্ত হৈ থাকে।

.....

১২.৪ মূল পাঠ্যাংশ

আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে এইখিনিতে অৰ্থশাস্ত্ৰৰ 'অধ্যক্ষপ্ৰচাৰ' শীৰ্ষক দ্বিতীয়াধিকৰণৰ দশম অধ্যায়ত থকা 'শাসনাধিকাৰ' নামৰ অধ্যায়টোৰ মূলপাঠখিনি ইয়াত দিয়া হ'ল।

শাসনাধিকাৰ ঃ

শাসনে শাসনমিত্যাচক্ষতে। শাসনপ্ৰধানা হি ৰাজানঃ, তানমূলত্বাৎ সন্ধিবিগ্ৰহয়োঃ। তস্মাদমাত্যসম্পদোপেতঃ সৰ্বসময়বিদাশুগ্ৰন্থশ্চাৰ্বক্ষৰো লেখবাচনসমৰ্থো লেখকঃ স্যাৎ। সো২ব্যগ্ৰমনা ৰাজ্ঞঃ সন্দেশং শ্ৰুত্বা নিশ্চিতাৰ্থং লেখং বিদধ্যাৎ, দেশৈশ্বৰ্যং বংশনামধেয়োপচাৰমীশ্বৰস্য দেশনামধেয়োপচাৰমনীশ্বৰস্য।

জাতিং কুলং স্থানবয়শ্ৰুতানি কৰ্মৰ্দ্ধিশীলান্যথ দেশকালৌ যৌনানুবন্ধং চ সমীক্ষ্য কাৰ্যে লেখং বিদধ্যাত্পুৰুষানুৰূপম্। অৰ্থক্ৰমঃ, সম্বন্ধঃ, পৰিপূৰ্ণতা মাধুৰ্যমৌদাৰ্যং স্পষ্টত্বমিতি লেখসম্পত্। তত্ৰ যথাবদনুপূৰ্বক্ৰিয়া প্ৰধানস্যাৰ্থস্য পূৰ্বমভিনিবেশ ইত্যৰ্থস্য ক্ৰমঃ। প্ৰস্তুতস্যাৰ্থস্যানুপৰোধাদুত্তৰস্য বিধানমাসমাপ্তেৰিতি সম্বন্ধঃ।

অৰ্থপদাক্ষৰাণামন্যূনাতিৰিক্ততা হেতুদাহৰনদৃষ্টান্তৈৰৰ্থো পৰ্বনাৎশ্ৰান্তপদতেতি পৰিপূৰ্ণতা। সুখোপনীতচাৰ্ৰ্থশব্দাভিধানং মাধুৰ্যম্। অগ্ৰাম্যশব্দাভিধানমৌদাৰ্যম্। প্ৰতীতশব্দপ্ৰয়োগঃ স্পষ্টত্বমিতি। অকাৰাদয়ো বৰ্ণাঃ ত্ৰিষষ্টিঃ। বৰ্ণসংঘাতঃ পদম্। তচ্চতুৰ্বিধং নামাখ্যাতোপসৰ্বানিপাতাশ্চেতি।

তত্ৰ নাম সত্ত্বাভিধায়ি। অবিশিষ্টলিঙ্গমাখ্যাতং ক্ৰিয়াবাচি, ক্ৰিয়াবিশেষকাঃ প্ৰাদয় উপসৰ্গাঃ।

অৱ্যয়াশ্চাদয়ো নিপাতাঃ। পদসমূহো বাক্যমর্থপৰিসমাপ্তৌ। একপদাবৰস্ত্রিপদ পৰঃ পৰপদার্থানুৰোধেন বর্গঃ কার্যঃ। লেখপৰিসংহৰনার্থ ইতিশব্দো বাচিকমস্যেতি চ।

নিন্দা প্রশংসা পৃচ্ছা চ তথা২২খ্যানমথার্থনা।
প্রত্যাখ্যানমুপালম্ভঃ প্রতিষেধো২থ চোদনা।
সান্ত্বমভ্যবপত্তিশ্চ ভর্ৎসনানুনয়ৌ তথা
ত্রতেষ্বর্থাঃ প্রবর্ত্তন্তে ত্রয়োদশসু লেখজাঃ।।

তত্রাভিজনশৰীৰকর্মণাং দোষবচনং নিন্দা। গুণবচনমেতেষামেৱ প্রশংসা। 'কথমেতদিতি' পৃচ্ছা। 'এৱম্' ইত্যাখ্যানম্। 'দেহি' ইত্যর্থনা 'ন যচ্ছামি' ইতি প্রত্যাখ্যানম্। অননুৰূপং ভৱত ইত্যুপালম্ভঃ। 'মা কার্ষীঃ' ইতি প্রতিষেধঃ। 'ইদং ক্রিয়তাম্ ইতি চোদনা। 'যে২হং স ভৱান্, মম যদ্ দ্রব্যং তদ্ভৱতঃ' ইত্যুপগ্রহঃ সান্ত্বম্। ব্যসনসাহায্যমভ্যবপত্তিঃ। সদোষমায়তিপ্রদর্শনমভিভর্ৎসনম্। অনুনয়স্ত্রিবিধো২র্থকৃতাবতিক্রমে পুৰুষাদিব্যসনে চেতি।

প্রজ্ঞাপনাজ্ঞাপৰিদানলেখাস্তথা পৰীহাৰ নিসৃষ্টিলেখৌ।
প্রাবৃত্তিকশ্চ প্রতিলেখ ত্রৱ সর্বত্রগশ্চেতি হি শাসনানি।।
অনেন বিজ্ঞাপিতমেৱমাহ তদ্দীয়তাং চেদ্যদি তত্ত্বমস্তি।
ৰাজ্ঞঃ সমীপে বৰকাৰমাহ প্রজ্ঞাপনৈষা বিবিধোপদিষ্টা।।
ভর্ত্তুৰাজ্ঞাভৱেদ্ যত্র নিগ্রহানুগ্রহৌ প্রতি।
বিশেষেণ তু ভৃত্যেষু তদাজ্ঞালেখলক্ষণম্।।
যথা২গুণসংযুক্তা পূজা যত্রোপলক্ষ্যতে।
অপ্যাধৌ পৰিদানে বা ভৱতস্তাবুপগ্রহৌ।।
জাতের্বিশেষেষু পুৰেষু চৈৱ গ্রামেষু দেশেষু চ তেষু তেষু।
অনুগ্রহো যো নৃপতের্নির্দেশাৎ তজ্ঞঃ পৰীহাৰ ইতি ব্যৱস্যেৎ।।
নিসৃষ্টিস্থাপনা কার্যা কৰণে বচনে তথা।
এষা বাচিকলেখঃ স্যাৎ ভবেন্নৈসৃষ্টিকো২পি বা।।
বিবিধাং দৈৱসংযুক্তাং তত্ত্বজাং চৈৱ মানুষীম্।
দ্বিবিধাং তাং ব্যৱসন্তি প্রবৃত্তিং শাসনং প্রতি।।
দৃষ্ট্বা লেখং যথাতত্ত্বং ততঃ প্রত্যনুভাষ্য চ।
প্রতিলেখো ভবেৎ কার্যে যথা ৰাজবচস্তথা।।
যত্রেশ্চৰাংশ্চাধিকৃতাংশ্চ ৰাজা ৰক্ষোপকাৰৌ পথিকার্থমাহ।
সর্বত্রগো নাম ভবেৎ স মার্গে দেশে চ সর্বত্র চ ৱেদিতব্যঃ।।
উপায়াস্মামোপপ্রদানভেদদণ্ডাঃ।

তত্র সাম পঞ্চবিধম্। গুণসংকীর্তনং সম্বন্ধোপাখ্যানম্, পৰস্পৰোপকাৰ সন্দর্শনমায়তিপ্রদর্শনমাত্মোপনিধানধানমিতি, তত্রাভিজনশৰীৰকর্মপ্রকৃতিশ্রুতদ্রব্যাদীনাং গুণাগুণগ্রহনং প্রশংসাস্তুতিগুণসংকীর্তনম্। জাতিযৌনমৌখস্ত্রৌৱকুলহৃদয়মিত্রসংকীর্তনং

সম্বন্ধোপাখ্যানম্। স্বপক্ষপৰপক্ষয়োৰন্যোন্যোপকাৰসতকীর্তনং পৰস্পৰোপকাৰসন্দর্শনম্। অস্মিন্নেৱং কৃত ইদমাবয়োর্ভৱতীত্যাশাজননমায়তিপ্রদর্শনম্। যো২হং স ভৱান্ যন্মম দ্রব্যং তদ্ভৱতা স্বকৃত্যেষু প্রয়োজ্যতাম্ ইত্যাত্মোপনিধানমিতি।

উপপ্রদানমর্থোপকাৰঃ। শঙ্কাজননং নির্ভর্ৎসনং চ ভেদঃ।

বধঃ পৰিক্লেশো২র্থহৰনং দণ্ড ইতি।

অকান্তিব্যাঘাতঃ পুনৰুক্তমপশব্দঃ সংপ্লব ইতি লেখদোষাঃ।

তত্র কালপত্রকমচাৰুবিষমবিৰাপাক্ষৰত্বমকান্তিঃ। পূর্বেণ পশ্চিমস্যানুপাপত্তির্ব্যাঘাতঃ। উক্তস্যাবিশেষেণ দ্বিতীয়মুচ্চাৰনং পুনৰুক্তম্। লিঙ্গবচনকালকাৰকাণামন্যথাপ্রয়োগো২পশব্দঃ। অবর্গে বর্গকৰণং বর্গে চাবর্গক্রিয়া গুণবিপর্যাসঃ সংপ্লব ইতি।

সর্বশাস্ত্রাণ্যনুক্রম্য প্রয়োগমুপলভ্য চ।

কৌটিল্যেন নৰেন্দ্রার্থে শাসনস্য বিধিঃ কৃতঃ।।

ইতি কৌটিলীয়ার্থশাস্ত্রে অধ্যক্ষপ্রচাৰে দ্বিতীয়াধিকৰণে দশমো২ধ্যায়ঃ শাসনাধিকাৰঃ।

১২.৫ অসমীয়া ভাৱানুবাদ

এই অংশত আপোনাৰ সুবিধাৰ বাবে মূল সংস্কৃত পাঠ্যাংশৰ অসমীয়া ভাৱানুবাদ যুগুত কৰা হ'ল। এই প্রসংগত উল্লেখনীয় যে অসমীয়া ভাঙনি যুগুত কৰোতে কিছুক্ষেত্রত ভাৱানুবাদৰ সহায় লোৱা হৈছে। তদুপৰি কিছুক্ষেত্রত বন্ধনীৰ ভিতৰত অর্থ সংযুক্ত কৰা হৈছে। ইয়াৰ ফলত অসমীয়া অর্থ বুজিবলৈ সুবিধা হ'ব বুলি আশা কৰা হৈছে।

শাসনত (ৰজাৰ লিখিত আদেশত) শাসন (ৰাজ্যশাসন নির্ভৰশীল) বুলি কোৱা হয়।

প্রকৰণ - শাসনাধিকাৰ

শাসনত (লিখিত আদেশত) শাসন (ৰাজ্যশাসন নির্ভৰশীল) বুলি কোৱা হয়। ৰজাসকল শাসনপ্রধান (অর্থাৎ লিখিত আদেশৰ ওপৰত নির্ভৰশীল), সেয়াই সন্ধি-বিগ্রহৰ (অর্থাৎ আন ৰাজ্যৰ লগত কৰা সন্ধি বা যুদ্ধৰ) মূল (বুলি বিবেচিত হয়)। সেইকাৰণে অমাত্যৰ গুণাৱলীসমৃদ্ধ, সকলো বর্ণাশ্রমৰ আচাৰ বিষয়ে অভিজ্ঞ, শীঘ্রেই বাক্যৰচনা কৰিবলৈ সমর্থ, সুন্দৰ হাতৰ আখৰযুক্ত, লেখপঠনত সমর্থ (সুস্পষ্টৰূপত লেখ পাঠ কৰিবলৈ সমর্থ) হ'ব লাগে লেখকে (অর্থাৎ লেখকৰ এই গুণবোৰ থাকিব লাগে)। সেইজনে (লেখকে) ব্যাকুল নোহোৱাকৈ (উত্তেজিত নোহোৱাকৈ) ৰজাৰ বাচিকবার্তা শুনি সুবিবেচিত অর্থযুক্ত লেখ নির্ধাৰণ কৰিব লাগে। ৰজাৰ (ক্ষেত্রত) দেশ, অধিকৃত ৰাজ্যৰ বিস্তাৰ, বংশ, নাম আৰু সন্মানাদিৰ উল্লেখ থাকিব আৰু ৰজা ব্যতিৰেকে আনৰ (ৰজাৰ বাহিৰে অমাত্যাদিৰ ক্ষেত্রত) দেশ, নাম আৰু সন্মানাদি থাকিব। জাতি, কুল, স্থান, বয়স, শাস্ত্রজ্ঞান, বৃত্তি, সম্পদ, সদাচাৰ, দেশ, কাল আৰু বিবাহসম্বন্ধ পর্যালোচনা কৰি কার্যবিষয়ত পুৰুষৰ অনুৰূপ (অর্থাৎ উত্তম, মধ্যম অথবা অধমপদৰ অনুৰূপ) লেখ ৰচনা কৰিব লাগে।

অর্থক্রম, সম্বন্ধ, পৰিপূর্ণতা, মাধুর্য, ঔদার্য, স্পষ্টতা— এয়া হ'ল লেখসম্পদ (অর্থাৎ লেখৰ গুণ)। ক্রিয়াৰ ক্রম অনুসৰি প্রধান অর্থৰ পূর্ব অভিনিৱেশ (অর্থাৎ আগতে উল্লেখ) —

এয়াই হ'ল অর্থৰ ক্ৰম। সমাপ্তিলৈকে প্ৰস্তুত (আলোচিত) বিষয়ৰ লগত বিৰোধহীনভাৱে পৰৱৰ্তী বিষয়ৰ সংযোগ হ'ল সম্বন্ধ। অর্থ পদ আৰু অক্ষৰৰ ন্যূনতা আৰু অধিকতা নথকা, হেতু, উদাহৰণ, দৃষ্টান্তৰ সহায়ত অর্থোপস্থাপন তথা অশ্ৰান্তপদতা (অর্থাৎ পদপ্ৰয়োগত শৈথিল্য নথকা)— এয়া হ'ল পৰিপূৰ্ণতা সহজবোধ্য আৰু ৰমণীয় শব্দৰ প্ৰয়োগ মাধুৰ্য। গ্ৰাম্যতা দোষ নথকা শব্দৰ ব্যৱহাৰ হ'ল ঔদাৰ্য। জ্ঞাতশব্দৰ প্ৰয়োগ হ'ল স্পষ্টত্ব।

অকাৰ আদি বর্ণৰ সংখ্যা তেষষ্টি (৬৩)। বর্ণৰ একত্ৰীকৰণ হ'ল পদ। সেয়া চাৰিপ্ৰকাৰৰ— নাম, আখ্যাত, উপসর্গ আৰু নিপাত (বা অব্যয়)।

সত্ত্বাবোধক (অস্তিত্ববোধক) নাম। অবিশিষ্ট লিঙ্গ (অর্থাৎ বিশেষ লিঙ্গ) নথকা হ'ল আখ্যাত, (সেয়া) ক্ৰিয়াবোধক। প্ৰ আদি ক্ৰিয়াবিশেষক হ'ল উপসর্গ। চ আদি অব্যয়সমূহ হ'ল নিপাত।

অর্থপৰিসমাপ্তিত (থকা) পদসমূহেই (হ'ল) বাক্য। পৰপদৰ অর্থ অনুসৰণ কৰি ন্যূনতম এটা পদৰ বেচি হ'লে তিনিটা পদেৰে বর্গ কৰণীয়। লেখ পৰিসমাপ্তিৰ বাবে ইতি শব্দৰ ব্যৱহাৰ কৰিব লাগে।

নিন্দা, প্ৰশংসা, পৃচ্ছা, আখ্যান, অর্থনা, প্ৰত্যাখান, উপালম্ভ, প্ৰতিষেধ, চোদনা, সান্ত্ব, অভ্যৱপত্তি, ভর্ৎসনা আৰু অনুনয়— এই ত্ৰয়োদশ লেখজাত অর্থ প্ৰবৃত্ত হয় (অর্থাৎ উক্ত ত্ৰয়োদশ প্ৰকাৰত লেখজ বিষয় প্ৰবর্ত্তিত হয়)।

ইয়াত বংশ, শৰীৰ (আৰু) কার্যৰ বিষয়ে দোষৰ কথা কোৱা হ'ল নিন্দা। এইবিলাকৰ বিষয়ে গুণৰ কথা কোৱা হ'ল প্ৰশংসা। 'কেনেদৰে (কামটো) কৰা যায়'— এয়া হ'ল পৃচ্ছা। 'এইদৰে' (কামটো কৰা যায়), — এয়া আখ্যান। (মোক) দিয়া — এয়া অর্থনা। 'মই নিদিও'— এয়া হ'ল প্ৰত্যাখ্যান। 'এয়া আপোনাৰ অনুচিত (কার্য)'— এয়া উপালম্ভ। 'এয়া নকৰিব'— এয়া প্ৰতিষেধ। 'এয়া কৰা হওক'— এয়া চোদনা।' যিয়ে মই সিয়ে আপুনি, মোৰ যি বস্তু সেয়া আপোনাৰ'— এই আনুকূল্য সান্ত্ব। বিপদত কৰা সহায়েই হ'ল অভ্যবপত্তি। ভৱিষ্যতৰ দোষপ্ৰদর্শন কৰা হ'ল অভিভর্ৎসনা। অনুনয় তিনিপ্ৰকাৰৰ— অর্থসম্বন্ধীয়, অতিক্ৰমসম্বন্ধীয় আৰু পুৰুষবিপত্তি সম্বন্ধীয়।

প্ৰজ্ঞাপনা, আজ্ঞা, পৰিদান, পৰীহাৰ, নিসৃষ্টি, প্ৰাবৃত্তিক, প্ৰতিলেখ, সর্বত্রগ— এই আঠ প্ৰকাৰৰ শাসন (বা লেখ) হয়।

ইয়াৰ দ্বাৰা জ্ঞাত হৈ (যদি) এইদৰে কয়— যদি সঁচা হয়, তেনেহ'লে দিয়া, (যদি) ৰজাৰ ওচৰত ৰাজকর্মচাৰীক (কৃত কল্যাণকার্যৰ বিষয়ে) কোৱা হয়— এইদৰে বিভিন্নধৰণৰ প্ৰজ্ঞাপনা উপদিষ্ট হৈছে। য'ত বিশেষভাৱে ভৃত্যসকলৰ উদ্দেশ্যে ৰজাৰ শাসন বা অনুগ্ৰহ ৰূপ আজ্ঞা নিবদ্ধ হয়— তাকেই আজ্ঞালেখৰ লক্ষণ বোলে। যোগ্যতা অনুসৰি গুণসংযুক্ত সৎকাৰ (যি লেখত দেখা পোৱা যায়) অথবা মনঃকষ্টত আনুকুল্য প্ৰকাশ (কৰা হয় য'ত)— এইদৰে পৰিদানলেখ দুবিধ হয়। জাতিবিশেষে, নগৰবিশেষে, গ্ৰামবিশেষে, দেশবিশেষে সেই বিষয়ত ৰজাৰ নির্দেশত যি অনুগ্ৰহ লিখা হয়— সেই লেখক পৰীহাৰ বুলি জনা যায়।

কার্যকৰণ তথা বচনত আপ্তপুৰুষৰ প্রামাণ্য স্থাপনেই হ'ল নিসৃষ্টিলেখ— এয়া বাচনিক অথবা ক্রিয়া বিষয়ক হয়।

বিভিন্ন দৈবসংযুক্ত আৰু মনুষ্যকৃত বাস্তৱ সমাচাৰ থকা দুবিধ প্রবৃত্তিযুক্ত শাসনেই হ'ল প্রাবৃত্তিক লেখ।

(আনে লিখা) লেখ যথাতত্ত্ব দেখি আৰু তাৰ পিছত তাৰ অনুলেখন পাঠ কৰি ৰজাৰ বচন অনুসৰি নির্দিষ্ট কার্যবিষয়ক লেখক প্রতিলেখ বুলি কোৱা হয়। য'ত (যি শাসনত) ঈশ্বৰজনক (অর্থাৎ নির্দিষ্ট অমাত্যসকলক) তথা অধিকাৰিসকলক (অর্থাৎ সমার্হতা আদিক) পথচাৰীৰ (সহায়ৰ দ্বাৰা) ৰক্ষা আৰু (খাদ্য আদিৰে) উপকাৰ কৰাৰ আদেশ বজায় দিয়ে তাকে সর্বত্রগ (লেখ) বোলে যিহেতুকে সেই আদেশ পথ, দেশ তথা সকলো ঠাইতে জ্ঞাত হ'ব লাগে (অর্থাৎ সকলো ঠাইতে প্রয়োজ্য হয় কাৰণে এই লেখক সর্বত্রগ বুলি অভিহিত কৰা হয়।

উপায় (চাৰিপ্রকাৰৰ) সাম, উপপ্রদান, ভেদ আৰু দণ্ড। সাম পাঁচবিধ— গুণসংকীর্তন, সম্বন্ধোপাখ্যান, পৰস্পৰ-উপকাৰসন্দর্শন, আয়তিপ্রদর্শন আৰু আত্মোপনিধান।

(কোনো ব্যক্তিৰ) বংশ, শৰীৰ, কর্ম, স্বভাব, শাস্ত্রজ্ঞান, দ্রব্য আদিৰ গুণ গ্রহণেৰে প্রশংসাস্তৱ, যি সামেৰে কৰা হয়— সেইবিধ সাম হ'ল গুণকীর্তন। যি সামেৰে আত্মীয় সম্বন্ধ, বিবাহাদিসম্বন্ধ, অধ্যয়নাদিগতসম্বন্ধ, যজ্ঞাদিগতসম্বন্ধ, কুলগতসম্বন্ধ, উপকাৰজাতহৃদয়গতসম্বন্ধ, বন্ধুত্বসম্বন্ধ প্রকাশ কৰা হয় সেয়া হ'ল সম্বন্ধোপাখ্যান। স্বপক্ষ আৰু পৰপক্ষৰ পৰস্পৰে পৰস্পৰক কৰা উপকাৰৰ কথা কোৱাকেই পৰস্পৰ-উপকাৰসন্দর্শন বুলি জনা যায়।

ইয়াত এনেকুৱা কৰিলে আমাৰ দুজনৰ এয়া হ'ব— এইদৰে আশাৰ সঞ্চাৰ কৰাকেই আয়তিপ্রদর্শন বুলি কোৱা হয়।

'যিজন মই সেইজনেই আপুনি, মোৰ যি বস্তু আছে সেয়া আপুনি নিজৰ কামত ব্যৱহাৰ কৰক' (এনেদৰে কোৱাকেই) আত্মোপনিধান (বুলি জনা যায়)।

অর্থেৰে কৰা উপকাৰক উপপ্রদান বোলে।

ভয়োৎপাদন আৰু ভর্ৎসনা (কৰাক)— ভেদ (বোলে) বধ, পীড়া উৎপাদন আৰু অর্থহৰণকৰা হ'ল দণ্ড।

অকান্তি, ব্যাঘাত, পুনৰুক্ত, অপশব্দ আৰু সংপ্লব— এয়া হ'ল লেখদোষ।

বেয়া পাতত লিখা, অসুন্দৰ, সমতাহীন (আখৰযুক্ত) অথবা পাতল চিয়াহীৰে লিখা হ'লে অকান্তি নামৰ লেখদোষ জন্মে।

পূর্বতে ব্যৱহাৰ হোৱা বচনৰ লগত পৰৱর্তী বচনৰ অনুপস্পত্তি বা বিৰোধক ব্যাঘাত (নামৰ লেখদোষ) বোলে।

কোনো কাৰণ নোহোৱাকৈ কোৱা কথাৰ দ্বিতীয়বাৰ উচাৰৰণ বা ব্যৱহাৰৰ নাম পুনৰুক্ত দোষ।

লিঙ্গ, বচন, কাল তথা কাৰকৰ অন্যথা প্রয়োগক (অর্থাৎ ভ্রান্তিযুক্ত ব্যৱহাৰক) অপশব্দ বোলে।

য'ত বৰ্গৰ (বিৰাম) স্থল নাই তাত বৰ্গকৰণ আৰু য'ত বৰ্গ কৰিব লাগে তাত বৰ্গ নকৰা (কার্য) তথা গুণৰ বৈপৰীত্যক সংপ্লব বোলে।

সকলো শাস্ত্র জানি আৰু সেইবোৰৰ প্রয়োগ উপলব্ধি কৰি ৰজাৰ বাবে কৌটিল্যই শাসনৰ নিয়ম স্থিৰ কৰিছে (অর্থাৎ লেখৰচনাৰ বিধিৰ নির্দেশ দিছে)।

১২.৬ বিশিষ্ট শব্দৰ অর্থ

আপুনি ইতিমধ্যে জানিছে যে কৌটিল্যৰ অর্থশাস্ত্রত আলোচনাৰ বিষয় হিচাপে লোৱা বিভিন্ন প্রসংগত বহুতো পাৰিভাষিক তথা বিশেষ শব্দৰ ব্যৱহাৰ হৈছে। আন আন অধ্যায়ৰ দৰে শাসনাধিকাৰ নামৰ অংশটোতো আচার্য কৌটিল্যই কিছুমান বিশিষ্ট অর্থযুক্ত শব্দৰ ব্যৱহাৰ কৰিছে। এইবোৰ শব্দৰ অর্থ নাজানিলে বিভিন্ন বচনৰ সম্পূর্ণ অর্থ গ্রহণত বাধাৰ সৃষ্টি হয়। তদুপৰি এনেধৰণৰ শব্দৰ অর্থজ্ঞানেৰে কৌটিল্যই উত্থাপন কৰা বিভিন্ন বিষয়ৰ সম্যক ধাৰণা জন্মে। উক্ত ধাৰণাই অর্থশাস্ত্রৰ জ্ঞানক ত্বৰান্বিত কৰে। এই উদ্দেশ্য আগত ৰাখি বর্তমান অংশত অর্থশাস্ত্রৰ শাসনাধিকাৰ শীর্ষক প্রকৰণত কৌটিল্যই ব্যৱহাৰ কৰা কিছুমান বিশিষ্ট শব্দৰ অর্থৰ বিষয়ে আলোচনা কৰা হ'ল।

শাসন ঃ শাসনাধিকাৰ শীর্ষক অংশটোত শাসন এই পাৰিভাষিক শব্দেৰে তালপত্র, ভূর্জপত্র আদিত লিখিত ৰজাৰ আদেশ বা নির্দেশক বুজোৱা হয়। লিখিত আকাৰে প্রকাশিত হয় কাৰণে ইয়াক লেখ বুলিও অভিহিত কৰা হয়। ৰজাসকলে প্রাচীন ভাৰতীয় শাসনব্যৱস্থাত লিখিত আদেশৰ ওপৰত একান্ত নির্ভৰশীল আছিল।

অমাত্যসম্পদ ঃ অমাত্যসম্পদ শব্দেৰে অমাত্যসকলৰ গুণৰ বিষয়ে সূচনা দিয়া হৈছে। অর্থশাস্ত্রৰ বিনয়াধিকাৰিকৰ প্রথমাধিকৰণত সন্নিবিষ্ট 'মন্ত্রিপুৰোহিতোৎপত্তিঃ' শীর্ষক অধ্যায়ত আচার্য কৌটিল্যই জানপদ, অভিজাত ইত্যাদি পঞ্চবিংশতিসংখ্যক অমাত্যগুণৰ বিষয়ে কৈছে। শাসন বা লেখৰ লেখক হ'ব গ'লে এই পঞ্চবিংশতিসংখ্যক অমাত্যগুণৰ অধিকাৰী হ'ব লাগে বুলি আচার্য কৌটিল্যই শাসনাধিকাৰত ব্যক্ত কৰিছে। কেৱল এই পঞ্চবিংশতি সংখ্যক গুণেই নহয় শাসনৰ লেখকৰ ক্ষেত্রত আন কিছু গুণৰ উপস্থিতিও গ্রহণীয় হয়।

সর্বসময়বিদ্ ঃ সর্বসময়বিদ্ শব্দটোৰে সকলো মানুহৰ আচাৰৰ বিষয়ে অভিজ্ঞজনক বুজোৱা হৈছে। প্রাচীন ভাৰতত ব্রাহ্মণ, ক্ষত্রিয়, শূদ্র আৰু বৈশ্য— এই চাৰিপ্রকাৰৰ বর্ণবিভাগ আছিল আৰু ব্রহ্মচর্য্য, গার্হস্থ্য, বানপ্রস্থ তথা সন্ন্যাস— এই চাৰি আশ্রমৰ ব্যৱস্থাও আছিল। উক্ত চাৰি বর্ণ তথা চাৰি আশ্রমৰ পৃথক পৃথক আচাৰ, আচৰণ তথা কর্তব্য নির্ধাৰিত হৈছিল। যিজন মানুহ এই বর্ণাশ্রমৰ আচাৰ-আচৰণবিধি তথা আন আন মানুহৰ আচাৰ বিষয়ে অভিজ্ঞ আছিল সেইজনকেই সর্বসময়বিদ্ বুলি অভিহিত কৰা হৈছিল। শাসনৰ লেখকৰ ক্ষেত্রত 'সর্বসময়বিদ' হোৱাটো একান্ত প্রয়োজনীয় গুণহিচাপে বিৱেচিত হৈছিল।

আশুগ্রন্থ ঃ আশু শব্দৰ অর্থ অনতিপলমে। যিজনে শীঘ্রে বাক্যসমূহ সৃষ্টি বা গঠন কৰি সেইবোৰ লিপিবদ্ধ কৰিবলৈ দক্ষ হয় তেওঁকে আশুগ্রন্থ বুলি কোৱা হয়। ৰজাৰ বাচিক আদেশ বা

নির্দেশ শুনি তথা শত্রুপক্ষই প্রেৰণ কৰা পত্রৰ বিষয়বস্তু অধ্যয়ন কৰি তাৰ পৰা শত্রুপক্ষৰ ৰজা বা অমাত্যৰ মনৰ কথা বুজি লৈ লেখকে দক্ষতাৰ সৈতে অনতিপলমে বাক্য গঠন কৰি সেইবোৰ লিপিবদ্ধ কৰিব লাগে। এইগুণ অবিহনে শাসনৰ লেখক হোৱাৰ যোগ্যতা বিবেচিত নহয়।

অনুগ্রহ ঃ অনুগ্রহ পথেৰে দয়াপৰবশ হৈ দিয়া সুবিধাক বুজোৱা হয়। পৰীহাৰ নামৰ লেখত অনুগ্রহশব্দটোৱে এটা বিশেষ অর্থক সূচায়। ব্রাহ্মণাদিজাতিৰ ক্ষেত্রত, বিশেষ নগৰৰ ক্ষেত্রত, বিশেষ গ্রামৰ ক্ষেত্রত আৰু বিশেষ দেশৰ ক্ষেত্রত কেতিয়াবা ৰজাই কৰ আদিৰ অগ্রহণৰূপ আদেশৰ কথা শাসনত লিপিবদ্ধ কৰাইছিল। জাতি-নগৰ-গ্রাম বা দেশবিশেষে কৰদানৰ পৰা পোৱা মুক্তিকেই অনুগ্রহ বুলি অভিহিত কৰা হৈছে।

নিসৃষ্টি ঃ নিসৃষ্টি শব্দেৰে কোনো আপ্তজনৰ বা বিশ্বস্ত পুৰুষৰ প্রামাণ্যক সূচোৱা হয়। 'মোৰ বিশ্বাসী এইজন ব্যক্তিৰ কার্য মোৰে কার্য, এওঁৰ বচন মোৰেই বচন'— এনেধৰণৰ কোনো বিশ্বাসীজনৰ প্রামাণ্য স্থাপনক নিসৃষ্টিস্থাপন বুলি অভিহিত কৰা হয়। সাধাৰণতে ৰজাৰ আদেশ বা নির্দেশ লিখিতৰূপত লিপিবদ্ধ কৰাৰ সময়ত কেতিয়াবা আপ্তজনৰ এনেধৰণৰ প্রামাণ্যসূচক বচনক বিশেষ গুৰুত্ব দিয়া হৈছিল।

সর্বত্রগ ঃ 'সর্বত্রগ' শব্দটোৱে এক বিশেষধৰণৰ শাসন বা লেখক বুজায়। ব্যুৎপত্তিগত দিশৰ পৰা উক্ত শব্দটোৱে সকলো ঠাইলৈ যোৱা বস্তুক সূচায়। কিন্তু শাসনপ্রসংগত কোৱা হয় যে যি লেখ ৰজাৰ স্বদেশ আৰু দেশান্তৰলৈ সঞ্চাৰিত হয় অর্থাৎ বিভিন্ন ঠাইলৈ বিয়পে সেয়াই হ'ল সর্বত্রগ লেখ।

আত্মোপনিধান ঃ আত্মোপনিধান হ'ল একপ্রকাৰৰ সাম। নিজৰ সকলো অস্তিত্বক বেলেগলৈ অর্পণ কৰি সন্ধিপ্রস্তাৱৰ নামান্তৰেই হ'ল আত্মোপনিধান। কৌটিল্যৰ মতে 'মই যি আপুনিও সি, মোৰ যি বস্তু আছে সেয়া আপুনি নিজৰ কামত ব্যৱহাৰ কৰক' এইদৰে প্রস্তাৱ দিয়াকেই আত্মোপনিধান বুলি কোৱা হয়। অপৰ পক্ষৰ সৈতে নিজৰ অভিন্নতা প্রকাশ কৰি নিজৰ মালিকনাধীন স্বর্ণাদি দ্রব্যসমূহৰ ব্যৱহাৰৰ বিষয়ে আনক কর্তৃত্বপ্রদানৰ প্রার্থনাৰ মাজেদি আত্মোপনিধান শীর্ষক সামৰ প্রস্তাৱ নির্ধাৰিত হয়।

দণ্ড ঃ ৰাজ্যশাসনৰ নিমিত্তে ব্যৱহাৰ হোৱা চাৰিবিধ উপায়ৰ চতুর্থ উপায় হ'ল দণ্ড। আচার্য কৌটিল্যই শাসনাধিকাৰ শীর্ষক অধ্যায়ত তিনিধৰণৰ দণ্ডৰ বিষয়ে উল্লেখ কৰিছে— 'বধঃ পৰিক্লেশো২র্থহৰণং দণ্ড ইতি।' মৃত্যুবিধান দি দণ্ডপ্রদান কৰা যায়। কাৰাগাৰত বান্ধি ৰাখা অথবা কাৰাগাৰত পীড়া উৎপাদনৰ দ্বাৰা পৰিক্লেশৰূপ দণ্ডবিধান কৰা যায়। অথবা কিবা দোষৰ বাবে অর্থহৰণ কৰি দণ্ডবিধান কৰা যায়। এইদৰে তিনিপ্রকাৰৰ দণ্ডবিধানৰ কথা উল্লেখ কৰা হৈছে শাসনাধিকাৰ শীর্ষক অধ্যায়ত।

সর্বশাস্ত্রানি ঃ 'সর্বশাস্ত্রানি' শব্দটোৰ ব্যুৎপত্তিগত অর্থ হ'ল সকলো শাস্ত্র। কিন্তু কৌটিল্যপ্রণীত অর্থশাস্ত্রৰ শাসনাধিকাৰ নামৰ অধ্যায়টোত থকা সর্বশাস্ত্রানি পদটোৰে বৃহস্পতি আদি পূর্বাচার্যসকলে প্রণয়ন কৰা বিশেষশাস্ত্রসমূহক বুজাইছে। শাসনাধিকাৰত আলোচনা কৰা বিষয়সমূহ যিসকল শাস্ত্রত বিবেচিত হৈছে পূর্বাচার্যসকলৰ দ্বাৰা, সেই সকলো শাস্ত্রক বুজোৱাৰ বাবেই 'সর্বশাস্ত্রানি' পদটো উল্লেখ কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ অমাত্যসম্পদ শব্দৰ অর্থ কি ?

.....

প্রশ্ন নং ৮ ঃ 'সর্বত্রগ' পদটোৱে কি বুজায় ?

.....

প্রশ্ন নং ৯ ঃ আশুগ্রন্থ বুলিলে কি বুজায় ?

.....

প্রশ্ন নং ১০ ঃ চমুটোকা লিখক—

শাসন, নিসৃষ্টি, আত্মোপনিধান, দণ্ড।

১২.৭ বিভিন্ন প্রসংগৰ আলোচনা

আপুনি ইতিমধ্যে জানিছে যে আচার্য কৌটিল্যই তেওঁৰ অর্থশাস্ত্রত প্রত্যেকটো অধ্যায়তেই এটা এটা গুৰুত্বপূর্ণ বিষয়ৰ অৱতাৰণা কৰিছে। এই বিষয়বোৰৰ আলোচনা প্রসংগত আকৌ সময়ে সময়ে কিছুমান পাৰিভাষিক বিন্দু প্রস্তুত কৰা হৈছে। উদাহৰণস্বৰূপে ক'ব পাৰি যে শাসনাধিকাৰ শীর্ষক অধ্যায়ত শাসনৰ বিষয়ে সাধাৰণ আলোচনাৰ লগতে আচার্য কৌটিল্যই শাসনৰ প্রকাৰভেদ, লেখকৰ বৈশিষ্ট্য, শাসনৰ গুণ, শাসনৰ দোষ, শাসনগত অর্থ ইত্যাদি বিষয় উত্থাপন কৰিছে। এনেধৰণৰ প্রসংগই সামগ্রিকভাৱে বিষয়বস্তুৰ মূল ধাৰণাৰ ভেটি সুদৃঢ় কৰে। তদুপৰি এইবোৰ প্রাসংগিক আলোচনাই পৰৱর্তী বিষয়ৰ ক্ষেত্রত অর্থবোধৰ সহায় হয়। এই উদ্দেশ্য আগত ৰাখি বর্তমান অংশত শাসনাধিকাৰ শীর্ষক অধ্যায়টোত থকা কিছুমান বিশেষ গুৰুত্বপূর্ণ প্রসংগৰ বিশদ ব্যাখ্যা আগবঢ়োৱা হ'ল।

(ক) শাসনপ্রধানা হি ৰাজানঃ তন্মূলত্বাৎ সন্ধিবিগ্রহয়ো ঃ উক্ত অংশটি আচার্যকৌটিল্য প্রণীত অর্থশাস্ত্রগ্রন্থৰ অধ্যক্ষপ্রচাৰ নামৰ দ্বিতীয়ধিকৰণৰ শাসনাধিকাৰ শীর্ষক দশম অধ্যায়ৰ পৰা লোৱা হৈছে। ৰাজ্যশাসনৰ ক্ষেত্রত শাসন বা লেখৰ ভূমিকাৰ বিষয়ে উক্ত প্রসংগৰ অৱতাৰণা কৰা হৈছে।

তালপত্র বা ভূর্জপত্র আদিত লিপিবদ্ধ ৰূপত থকা ৰজাৰ আদেশ বা নির্দেশকেই শাসন বুলি কোৱা হয়। লিখিতৰূপত থকা কাৰণে ইয়াক ৰাজলেখ বা লেখ বুলিও জনা যায়। 'ৰাজা প্রকৃতিৰঞ্জনাৎ' এই নিয়ম অনুসৰি ৰাজ্য শাসন আৰু প্রজাপালন ৰজাৰ প্রাথমিক তথা প্রধান কর্তব্য। এই কর্তব্য পালন কৰিব যাওতে ৰজাই লিখিত শাসনৰ ওপৰত বহুধৰণে নির্ভৰশীল হ'বলগীয়া হয়। বিশেষকৈ সন্ধি আৰু বিগ্রহৰ ক্ষেত্রত শাসনৰ বিশেষ ভূমিকা থাকে। অর্থাৎ কোন ৰজাৰ লগত সন্ধি বা মিত্রতা কর্তব্য, ক'ত বিগ্রহ বা যুদ্ধৰ পৰিকল্পনা হাতত ল'ব লাগিব এই বিষয়সমূহৰ কার্যকাৰিতাৰ ক্ষেত্রত ৰাজলেখৰ এটি গুৰুত্বপূর্ণ ভূমিকা থাকে। শাসন বা ৰাজলেখৰ মাধ্যমেৰে প্রাপ্ত বিভিন্ন আদেশ-নির্দেশক কেন্দ্র কৰিহে ৰজাই আন ৰাজ্যৰ ৰজাৰ সৈতে মৈত্রীস্থাপনৰ

বা যুদ্ধযাত্রাৰ বাবে সাজু হয়। পৰপক্ষীয় ৰজাৰ লগত কেতিয়া, কি অৱস্থাত বা কিদৰে যুদ্ধ কৰিব লাগিব সেইবোৰ বিষয়ত যি লিখিত নির্দেশ থাকে সেই আর্দেশ বা নির্দেশ অনুসৰণ কৰিয়ে ৰাজ্যপ্রশাসনৰ ক্ষেত্রত সিদ্ধান্ত লোৱা হয়। গতিকে 'ষাড়গুন্য' অর্থাৎ সন্ধি, বিগ্রহ, যান, আসন, দ্বৈধীভাব আৰু সংশ্রয়— ৰাজ্যপ্রশাসনৰ এই ছটা অৱস্থাৰ ভিতৰ প্রথম দুটা সম্পূর্ণভাৰে লেখ বা শাসন নির্ভৰ হয়। য'ত ৰাজলেখ সুচাৰুৰূপত নির্দিষ্ট হয় আৰু তাত থকা নিয়মবোৰ সঠিকৰূপত পালন কৰা হয় তেতিয়া হ'লে ৰজাই হাতত লোৱা সন্ধি বা যুদ্ধকার্য সফল হোৱাৰ পূর্ণ সম্ভাৱনা থাকে। সেই কাৰণে সন্ধি আৰু যুদ্ধৰ বিষয়ে লেখ বা শাসনে মূল হিচাপে নির্ধাৰিত হয়।

(খ) তস্মাদমাত্যসম্পদোপেত ঃ সর্বসময়বিদাশুগ্রন্থশ্চার্বক্ষৰো লেখবাচনসমর্থো লেখক ঃ স্যাৎ

(সন্দর্ভ একে) উক্ত বাক্যেৰে লেখকৰ গুণাৱলীৰ বিষয়ে কোৱা হৈছে।

কৌটিল্যই কৈছে যে ৰাজ্যৰ শাসনব্যৱস্থা বহুখিনি নির্ভৰ কৰে লিখিত আদেশ বা নির্দেশৰ ওপৰত। অর্থাৎ শাসন বা ৰজাৰ লিখিত আদেশে ৰাজ্যৰ সন্ধি বা বিগ্রহৰ ক্ষেত্রত মুখ্য ভূমিকা লয়। সেই কাৰণে ৰাজলেখ লিখিবৰ বাবে বিশেষগুণযুক্ত লেখকৰ প্রয়োজন হয়। শাসন বা লেখৰ লেখক কেনেকুৱা হ'ব লাগে সেই বিষয়ে ক'বলৈ গৈ আচার্য কৌটিল্যই উক্ত বাক্যৰ অৱতাৰণা কৰিছে। অমাত্যসকলৰ বাবে প্রয়োজনীয় গুণখিনি লেখকৰ ক্ষেত্রত থাকিব লাগে। বিনয়াধিকাৰিকত কৌটিল্যই জানপদ, অভিজাত আদি পঁচিশটা গুণৰ বিষয়ে উল্লেখ কৰিছে। এই আটাইবোৰ গুণ লেখকৰ বাবে অতি প্রয়োজনীয়। দ্বিতীয়তে লেখক সর্বসময়বিদ হ'ব লাগে। অর্থাৎ চতুবর্ণ, চতুৰাশ্রম তথা বেলেগৰ আচাৰ বিধিৰ বিষয়ে জ্ঞানসম্পন্ন হ'বলাগে। তৃতীয়ত ঃ লেখক আশুগ্রন্থ হ'ব লাগে। অর্থাৎ অতি সোনকালে বাক্যগাঁথনি কৰি সেয়া লিপিবদ্ধ কৰাত পাৰদর্শী হ'ব লাগে। লেখকৰ চতুর্থগুণ হ'ল সুন্দৰ হাতৰ আখৰৰ গৰাকী হোৱা। অর্থাৎ লেখকৰ হস্তাক্ষৰ ৰমণীয় হ'ব লাগে। তদুপৰি লেখকে সুন্দৰকৈ উচ্চাৰণ কৰি লেখপঠনত সমর্থ হ'ব লাগে। গতিকে অমাত্যগত পঞ্চবিংশতি গুণৰ সৈতে আৰু চাৰিটা গুণক সংযুক্ত কৰি মুঠ ঊনত্রিশটা গুণৰ অধিকাৰী হ'ব লাগে লেখক।

এই বাক্যৰ পৰা সহজেই অনুমেয় যে উক্ত গুণবোৰৰ উপস্থিতি লক্ষ্য কৰিয়ে শাসনৰ লেখক নির্বাচন কৰা হৈছিল।

(গ) দেশৈশ্বর্যং বংশনামধেয়োপচাৰমীশ্বৰস্য দেশনামধেয়োপচাৰমণীশ্বৰস্য ঃ

(সন্দর্ভ একে) ইয়াত লেখ লিপিবদ্ধ কৰোতে লেখকে কি কি বিষয় সন্নিবিষ্ট কৰিব লাগে সেই সন্দর্ভত অভিমত ব্যক্ত কৰা হৈছে।

বিভিন্ন গুণসম্পন্ন লেখকে অব্যগ্রহৃদয় হৈ ৰজাৰ বাচিক বার্তা শুনি সেইবোৰৰ অর্থ নিশ্চিত কৰি লেখ লিখিব লাগে। এই লেখ লিপিবদ্ধ কৰোতে লেখকে কিছু তথ্য সদায় সংযোগ কৰিব লাগে। যেনে যদি লেখটো কোনোবা 'ঈশ্বৰ' অর্থাৎ ৰজাৰ বিষয়ে হয় তেতিয়াহ'লে সেই ৰজাৰ দেশ, ঐশ্বর্য অর্থাৎ ৰজাজনৰ অধীনত থকা ৰাজ্যৰ বিস্তৃতি, ৰাজকোষত থকা তেওঁৰ ধন তথা তেওঁৰ দণ্ডপ্রয়োগৰ ক্ষমতা, ৰজাৰ বংশ আৰু সম্পূর্ণ নাম— এইবোৰ তথ্য সংযোগেৰে লেখকে ৰজাৰ বিষয়ে লেখ লিপিবদ্ধ কৰিব লাগে। আনফালে সেই লেখ যদি কোনোবা 'অনীশ্বৰ'

অর্থাৎ অমাত্য আদিৰ বিষয়ে হয় তেতিয়াহ'লে সেইক্ষেত্রত সেইগৰাকী ব্যক্তিৰ দেশ আৰু নামৰ তথ্য সহকাৰে লেখ লিখিব লাগে।

প্রকৃততে উক্ত তথ্যসমূহৰ ওপৰত ভিত্তি কৰি লিখা লেখ বা শাসনৰ জৰিয়তে ৰজাই ৰাজ্যত সুশাসন প্রৱর্তন কৰিব পাৰে।

(ঘ) সুখোপনীতচার্বর্থশব্দাভিধানং মাধুর্যম ঃ

(সন্দর্ভ একে)। মাধুর্য নামৰ লেখ সম্পদৰ লক্ষণৰ বিষয়ে এই বাক্যৰ উপস্থাপন হৈছে।

অর্থক্রম, সম্বন্ধ, পৰিপূর্ণতা, মাধুর্য, ঔদার্য আৰু স্পষ্টতা— এয়া হ'ল লেখৰ গুণ বা সম্পদ। ইয়াতে অন্তর্ভুক্ত মাধুর্য নামৰ লেখগুণ বা লেখসম্পদৰ বিষয়ে ক'বলৈ গৈ আচার্য কৌটিল্যই এই কথা ব্যক্ত কৰিছে যে সহজে বুজিব পাৰা আৰু সুন্দৰ অর্থযুক্ত শব্দৰ প্রয়োগক মাধুর্য বুলি কোৱা হয়। লেখৰ বিষয়ে এয়া এক গুণ বা সম্পদৰূপে বিবেচিত হয়। প্রকৃততে সহজে বুজিব পাৰা শব্দ প্রয়োগেৰে আৰু ৰমণীয় অর্থ প্রকাশ কৰিব পাৰা শব্দপ্রয়োগেৰে যি লেখ লিপিবদ্ধ কৰা হয় সেয়া সদায় পাঠক বা শ্রোতাৰ বাবে মনোগ্রাহী হয়। সহজবোধ্যতা নাথাকিলে অথবা সুন্দৰ অর্থ প্রকাশিত নহ'লে লেখৰ বিষয়বস্তু পাঠক বা শ্রোতাৰ হৃদয়ত বিৰক্তিৰ জন্ম দিয়ে। সেয়েহে সহজবোধ্য শব্দেৰে আৰু মনোগ্রাহী অর্থেৰে লিপিবদ্ধ কৰা লেখ মাধুর্যগুণসম্পন্ন হৈ কার্যসিদ্ধিত উদগনি যোগায়। সেই কাৰণেই মাধুর্যক লেখসম্পদ হিচাপে গ্রহণ কৰা হৈছে।

(ঙ) অকাৰাদয়ো বর্ণাস্ত্রিষষ্টি ঃ

(সন্দর্ভ একে) ইয়াতে বর্ণৰ সংখ্যাসম্বন্ধে কৌটিল্যই তেওঁৰ অভিমত ব্যক্ত কৰিছে।

প্রকৃততে বর্ণ, পদ, শব্দ বা বাক্য— এই বিষয়বোৰৰ আলোচনা মুখ্যৰূপত ব্যাকৰণশাস্ত্রত থাকিলেও যিহেতুকে লেখৰ লগত লেখনকার্যৰ গভীৰ সম্বন্ধ আছে আৰু লেখনকার্যত অবিচ্ছেদ্য অঙ্গৰূপে থাকে বর্ণ, পদ, শব্দ বা বাক্য— সেই কাৰণে আলোচ্য অংশত বর্ণৰ সংখ্যাসম্বন্ধে কৌটিল্যই আলোচনা আগবঢ়াইছে। কৌটিল্যই অকাৰাদি বর্ণৰ সংখ্যা তেষষ্ঠি বুলি স্বীকাৰ কৰিছে। হ্রস্ব-দীর্ঘ আৰু প্লুতভেদে সর্বমুঠ স্বৰবর্ণৰ সংখ্যা হয় ২২, স্পর্শবর্ণ ২৫টা, ৪টা অন্তঃস্থবর্ণ, অনুস্বাৰ, বিসর্গ, জিহ্বামূলীয় আৰু উপধ্মানীয় মিলি ৪টা বর্ণ, ৪টা উষ্মবর্ণ আৰু ৪টা সমাক্ষৰ — এইদৰে সর্বমুঠ অক্ষৰ হয়গৈ ৬৩টা। এই ৬৩ বর্ণই হ'ল লেখৰ মূল কাৰণ এই বর্ণেৰেই পদগঠন কৰা হয় আৰু পদসংঘাতেৰে বাক্য গঠন কৰি লেখ লিপিবদ্ধ কৰি কার্যকৰী কৰা হয়।

(চ) তচ্চ চতুর্বিধং নামাখ্যাতোপসর্গনিপাতাশ্চেতি ঃ

(সন্দর্ভ একে)। আলোচ্য অংশত পদৰ বিভাগবোৰৰ বিষয়ে আচার্য কৌটিল্যই আগবঢ়োৱা বক্তব্য দাঙি ধৰা হৈছে।

বর্ণসমূহৰ সংঘাত বা সমবায়েই হ'ল পদ। অর্থাৎ বর্ণসমূহ একেলগে হৈ যেতিয়া এটা অর্থপ্রকাশ কৰে তেতিয়া সেই বর্ণসমবায়ক পদ বুলি অভিহিত কৰা হয়। এই পদ চাৰিবিধ— নাম, আখ্যাত, উপসর্গ আৰু নিপাত। সত্ত্বপ্রকাশক পদ হ'ল নাম। অর্থাৎ যি পদৰ জৰিয়তে জাতি, গুণ বা দ্রব্যক বুজোৱা হয় তাকেই নামপদ বোলে। আখ্যাতপদেৰে ক্রিয়াপদক সূচোৱা হয়, কৌটিল্যই কৈছে— 'অৱশিষ্টলিঙ্গমাখ্যাত, ক্রিয়াবাচি।' অর্থাৎ যি পদ ক্রিয়াবাচক তথা স্ত্রী-পুং

আদি লিঙ্গশূন্য তাকেই আখ্যাত বোলে। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ক্রিয়াপদ সদায়েই লিঙ্গবিহীন হয়। প্র, পৰা, অপ, সম, অনু, অব, নিঃ, দুঃ, অভি, বি, অধি, সু, উৎ, অতি, নি, প্রতি, পৰি, অপি, উপ, আ— এইবোৰ ক্রিয়াবিশেষকক উপসর্গ বোলে। চ আদি অব্যয়ক নিপাত বুলি কোৱা হয়।

কৌটিল্যই আগবঢ়োৱা এই পদবিভাগ আৰু যাস্কাচার্যই তেওঁৰ নিৰুক্তগ্রন্থত দিয়া পদবিভাগ প্রায় একেপর্যায়ৰ। যাস্কাচার্যই নাম-আখ্যাত উপসর্গ আৰু নিপাত— এই চাৰিটা ভাগত পদক বিভক্ত কৰি নাম আৰু আখ্যাতৰ লক্ষণ প্রসংগত কৈছে— 'ভাৱপ্রধান আখ্যাত, সত্ত্বপ্রধানানি নামানি।' সেইদৰে আচার্য পাণিনিয়ে আগবঢ়োৱা উপসর্গ আৰু নিপাতৰ লক্ষণতো একেটা ভাবেই প্রতিধ্বনিত হৈছে। উপসর্গসম্বন্ধে পাণিনিয়ে কৈছে— 'প্রাদয়ঃ', 'উপসর্গাঃ ক্রিয়াযোগে'। গতিকে আমি ক'ব পাৰো যে পদবিভাগ আৰু সেইবোৰৰ লক্ষণ নিৰূপণৰ ক্ষেত্রত আচার্য কৌটিল্যই পূর্বাচার্যসকলৰ অভিমতক অনুসৰণ কৰিছে।

(ছ) উপায়াঃ সামোপপ্রদানভেদদণ্ডা ঃ

(সন্দর্ভ একে) ইয়াত ৰাজ্যশাসনৰ চাৰিটা উপায়ৰ বিষয়ে প্রসঙ্গ উত্থাপিত হৈছে।

ৰাজ্যশাসনত চাৰিটা উপায় নির্দিষ্ট হৈছে শাস্ত্রসমূহত। সেই চাৰিটা উপায় হ'ল সাম, উপপ্রদান, ভেদ আৰু দণ্ড। অর্থাৎ কোন ৰাজ্যৰ উদ্দেশ্যে সন্ধিপ্রস্তাৱ আগবঢ়োৱা হ'ব, ক'ত যুদ্ধৰ প্রস্তাৱ লোৱা হ'ব— এই বিষয়সমূহৰ মূলত আছে উপায়সমূহ। সেইকাৰণে উপায়ৰ বিষয়ে লেখকৰ জ্ঞান থকা অত্যন্ত প্রয়োজনীয়। সন্ধি আৰু বিগ্রহৰ প্রস্তাৱ লওঁতে যি চাৰিটা উপায়ৰ অৱতাৰণা হয় সেইবোৰেই হ'ল সাম, দান বা উপপ্রদান, ভেদ আৰু দণ্ড। সাম অর্থাৎ মৈত্রীস্থাপনপ্রক্রিয়া পাঁচপ্রকাৰৰ হয়— আচার্য কৌটিল্যই কৈছে— 'তত্র সাম পঞ্চবিধং গুণসঙ্কীর্ত্তনং সম্বন্ধোপাখ্যানম্ পৰস্পৰোপকাৰসন্দর্শনম্, আয়তি-প্রদর্শনম্ আত্মোপনিধানমিতি'। যি সামত শত্রুপক্ষৰ ৰজা বা আন কোনোবা বিশেষ ব্যক্তিৰ বংশ, শৰীৰ, কর্ম, শাস্ত্রজ্ঞান অথবা দ্রব্যাদিৰ বিষয়ে প্রশংসামূলক স্তুতি আগবঢ়োৱা হয় তাকেই গুণকীর্তন বোলে। যি সামত কাৰোবাৰ বিষয়ে আত্মীয়সম্বন্ধ, বিবাহমূলক সম্বন্ধ, অধ্যয়ন-অধ্যাপনাদিবিষয়ক সম্বন্ধ, যাজ্য-যাজকৰূপ স্রৌৱসম্বন্ধ, বংশগতসম্বন্ধ, হৃদয়গতসম্বন্ধৰ কথা থাকে তাকেই সম্বন্ধোপাখ্যান বোলে। এনেদৰে কার্য কৰিলে আমাৰ দুয়োৰে এনেকুৱা ফল হ'ব— এইধৰণৰ আশাব্যঞ্জক কথা যত থাকে সেই সামৰ নাম হ'ল আয়তি প্রদর্শন। 'মই যি আপুনিও সেই, মোৰ যি দ্রব্য আছে সেয়া আপুনি নিজৰ কামত ব্যৱহাৰ কৰক'— এনেকুৱা বচন যত নিৰূপিত হয় সেই সামক আত্মোপনিধান বুলি কোৱা হয়।

শত্রুপক্ষৰ ৰজাক বা আন কোনোবা প্রতাপী ব্যক্তিৰ অর্থ, ভূমি আদিৰ জৰিয়তে উপকাৰবিধান কৰাকেই দান বা উপপ্রদান বুলি কোৱা হয়। ভয় প্রদর্শন আৰু ভর্ৎসনা কৰাকেই ভেদ বুলি আখ্যা দিয়া হয়। দণ্ডনামৰ উপায় তিনিধৰণে কার্যকৰী হয়। যেনে— বধ বা হত্যা, বন্ধনাদি পীড়াপ্রদান আৰু অর্থগ্রহণ।

এইদৰে উপায় চাৰিবিধেৰে সম্পর্কিত লেখৰ ভিত্তিত ৰাজ্যশাসন প্রক্রিয়া চলি থাকে।

(জ) এতেঁৱৰ্থা ঃ প্ৰৱৰ্ত্তন্তে ত্ৰয়োদশসু লেখজা ঃ

(সন্দৰ্ভ একে) লেখৰ অৰ্থ কেনেকুৱা হয় অথবা কি কি অৰ্থত লেখ প্ৰৱৰ্তিত হয় সেই বিষয়ে ক'বলৈ গৈ আচাৰ্য কৌটিল্যই উক্ত প্ৰসংগৰ অৱতাৰণা কৰিছে।

ত্ৰয়োদশ অৰ্থত লেখ প্ৰযুক্ত হয়। নিন্দা, প্ৰশংসা, পৃচ্ছা, আখ্যান, অৰ্থনা, প্ৰত্যাখ্যান, উপালম্ভ, প্ৰতিষেধ, চোদনা, সান্ত্ব, অভ্যবপত্তি, ভৰ্ৎসনা আৰু অনুনয়— এই তেৰটা অৰ্থত লেখ প্ৰযুক্ত হয়। বংশ, শৰীৰ আৰু কৰ্মৰ বিষয়ে দোষকথনেই হ'ল নিন্দা। কিন্তু বংশ, শৰীৰ আৰু কৰ্মৰ বিষয়ে গুণসংকীৰ্তন হ'ল প্ৰশংসা। 'এই কামটো কেনেকৈ সাধন কৰিব লাগে'— এনেকুৱা জিজ্ঞাসাৰ নাম পৃচ্ছা। 'কামটো এইদৰে কৰিব লাগে'— এই ধৰণৰ কথাৰ নাম আখ্যান। অৰ্থ আদিৰ প্ৰাৰ্থনাৰ নাম অৰ্থনা। 'মই দিব নোৱাৰো'। এনেদৰে কোৱাৰ নাম প্ৰত্যাখ্যান। 'আপোনাৰ দৰে মানুহৰ এয়া উচিত কৰ্ম নহয়'— এনেকুৱা উক্তিৰ নাম উপালম্ভ। 'এনেকুৱা নকৰিব'— এইদৰে কোৱাক প্ৰতিষেধ বুলি কোৱা হয়। 'এইটো কৰিব লাগে'— এইধৰণৰ প্ৰেৰণাক চোদনা বোলে। 'মইও যি আপুনিও সেই, মোৰ যি দ্ৰব্য সেয়া আপোনাৰ'— এনেকুৱা অনুকুল বচনৰ নাম সান্ত্ব। কাৰোবাৰ বিপদত সাহায্য প্ৰদান কৰা হ'লে তাক কোৱা হয় অভ্যৱপত্তি। কাৰোবাৰ ভৱিষ্যতে দোষ হ'ব পাৰে বুলি ভীতি প্ৰদৰ্শনৰ নাম ভৰ্ৎসনা। অনুনয় তিনিপ্ৰকাৰৰ হয়— অৰ্থকৃত অনুৰোধ, অতিক্ৰমযুক্ত অনুৰোধ আৰু পুৰুষৰ বিপত্তিনিমিত্তক অনুৰোধ। ইয়াৰ ভিতৰত অৱশ্যকৰণীয় কাৰ্য সম্পাদনৰ বাবে যি অনুনয় কৰা হয় সেয়া অৰ্থকৃত অনুনয়। কাৰোবাৰ মত অনুসৰি কাৰ্যসম্পাদন নকৰাত ওপজা খণ্ড দূৰ কৰাৰ কাৰণে যি অনুনয় কৰা হয় তাক অতিক্ৰমযুক্ত অনুনয় বোলে। পুৰুষৰ ব্যসন বা বিপত্তিত যি অনুনয় কৰা হয় তাক পুৰুষৰ বিপত্তিনিমিত্তক অনুনয় বোলে।

এইদৰে প্ৰক্ষিপ্ত ত্ৰয়োদশ অৰ্থত লেখ প্ৰবৃত্ত হয়। অৰ্থাৎ লেখৰ বিষয়বস্তুত এই ত্ৰয়োদশ প্ৰসংগৰ উপস্থিতি দেখিবলৈ পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ লেখকৰ গুণাৱলী কি কি লিখক।

.....

প্ৰশ্ন নং ১২ ঃ মাধুৰ্য বুলিলে কি বুজায় লিখক?

.....

প্ৰশ্ন নং ১৩ ঃ চাৰিবিধ পদ কি কি লিখক।

.....

প্ৰশ্ন নং ১৪ ঃ ব্যাখ্যা কৰক ঃ

(১) উপায়ঃ সামোপপ্ৰদানভেদদণ্ডাঃ।

(২) অকাৰাদয়ো বৰ্ণাস্ত্ৰিষষ্টিঃ।



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কৌটিল্যৰ অর্থশাস্ত্রত থকা শাসনাধিকাৰ নামৰ অধ্যায়টোত থকা বিষয়বস্তুৰ লগত পৰিচিত হ'ল।
- ৰাজ্যশাসনৰ ক্ষেত্রত শাসন বা লেখৰ গুৰুত্ব সম্বন্ধে জানিব পাৰিলে।
- লেখকৰ গুণাৱলীৰ বিষয়ে জানিলে।
- শাসনৰ প্রকাৰভেদসম্পর্কে জানিলে।
- লেখসম্পদ বা শাসনৰ গুণৰ বিষয়ে জানিব পাৰিলে।
- কি কি অর্থত শাসন প্রযুক্ত হৈছিল সেই বিষয়ৰ লগত পৰিচিত হ'ল।
- ৰাজ্যশাসনৰ ক্ষেত্রত প্রযুক্ত উপায়বোৰৰ ধাৰণা পালে।
- পাঁচপ্রকাৰৰ সামৰ বিষয়ে জানিলে।
- লেখদোষৰ বিষয়ে জানিব পাৰিলে।
- লেখত ব্যৱহাৰ হোৱা পদ, বর্ণ, বর্গ আদিৰ বিষয়েও জানিলে।



১২.৯ অধিক জানিবলৈ

১) মেনন, কে. পি. এ. (১৯৯৮), *কৌটিল্য অন ৰাজনীতি,* নিউ দিল্লী ঃ ৰাষ্ট্রীয় সংস্কৃত সংস্থান।

২) বসু, অনিল চন্দ্র, (১৯৯৯), *কৌটিলীয় অর্থশাস্ত্র,* কোলকাতা ঃ সংস্কৃত বুক ডিপো ।

৩) বাচস্পতি, গৌবোলা, (২০০৩), *কৌটিল্যয় অর্থশাস্ত্রম্,* ৰাৰানসী ঃ চৌখাম্বা বিদ্যাভৱন।



১২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিচয় অংশৰপৰা আলোচনা কৰিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ শাসনাধিকাৰৰ গুৰুত্ব অংশত দিয়া আছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ শাসনাধিকাৰৰ গুৰুত্ব শীর্ষক অংশৰ পৰা লিখিব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শাসনাধিকাৰৰ গুৰুত্ব শীৰ্ষক বিন্দুত আলোচনা কৰা হৈছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শাসনাধিকাৰৰ গুৰুত্ব শীৰ্ষক বিন্দুত কোৱা হৈছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ লেখকৰ বিষয়ে ক'ব লাগিব।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অমাত্যসম্পদৰ বিষয়ে আলোচনা কৰা হৈছে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্বত্ৰগ শব্দৰ ব্যাখ্যা দিব লাগিব।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ আশুগ্ৰন্থ শব্দৰ অৰ্থ ব্যাখ্যা কৰিব লাগিব।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ শব্দাৰ্থব্যাখ্যাৰ পৰা লিখিব লাগিব।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৩.৭ অংশৰ (খ) বিন্দুৰ কথাখিনি লিখিব লাগিব।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৩.৭ অংশৰ (ঘ) বিন্দুৰ পৰা লিখিব লাগিব

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৩.৭ অংশৰ (চ) বিন্দুৰ পৰা লিখিব লাগিব।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৩.৭ অংশত দিয়া আছে।



১২.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ শাসনাধিকাৰ অংশৰ বিষয়বস্তু আলোচনা কৰক।

প্ৰশ্ন ২ঃ কি কি অৰ্থত লেখ প্ৰযুক্ত হয় সেই বিষয়ে আলোচনা কৰক।

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ লেখসম্পদৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ লেখদোষৰ ওপৰত এটি টোকা প্ৰস্তুত কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ অৰ্থ চমুকৈ লিখক ঃ
স্বপক্ষ, সংবৃত, মন্ত্ৰভেদী, ঈঙ্গিত, যোগ, ক্ষেম।

প্ৰশ্ন ২ ঃ লেখকৰ গুণাৱলী কি? লেখ লিখিবলৈ যাওঁতে লেখকে কি কি বিষয়ৰ ওপৰত গুৰুত্ব দিব লাগে সেই বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ লেখৰ প্ৰকাৰভেদৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ৰাজ্যশাসনৰ উপায়ৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

*** ***** ***



প্ৰসঙ্গ পুথি

১) কাঙ্গল, আৰ. পি., *কৌটিলীয় অৰ্থশাস্ত্ৰ* (১৯৯৭), দিল্লী ঃ মোতিলাল বানাৰসীদাস পাবলিচার্ছ প্ৰাইভেট লিমিটেড।

২) কানে, পি. ভি., *দি সাহিত্যদৰ্পণ* (১ম, ২য় আৰু দশম অধ্যায়) (১৯৭৪), দিল্লী ঃ মতিলাল বাৰ্ণাৰসী দাস।

৩) গোস্বামী, হৰমোহন দেৰ, *সংস্কৃত নাট্যতত্ত্ব পৰিচয়*।

৪) ধনঞ্জয়, *দশৰূপক*।

৫) বসু, ড° অনিল চন্দ্ৰ, *কৌটিলীয় অৰ্থশাস্ত্ৰ* (২০০১), কোলকাতা ঃ সংস্কৃত বুক ডিপো।

৬) মেনন, কে. পি., *কৌটিল্য অন্ ৰাজনীতি* (১৯৯৮), নিউ দিল্লী ঃ ৰাষ্ট্ৰীয় সংস্কৃত সংস্থান।

৭) ৰয়, কুমুদ ৰঞ্জন, *সাহিত্যদৰ্পণ* (ষষ্ঠ পৰিচ্ছেদ)।

৮) ৰামচন্দ্ৰ, শ্ৰীবিশ্বনাথ, *কৌটিলীয়ম্ অৰ্থশাস্ত্ৰম্*, বাৰানসী ঃ শ্ৰীগীৰ্বাণবাগ্বৰ্ধিনীসভা।

৯) শৰ্ম্মা, আচাৰ্য্য শেষৰাজ, *সাহিত্যদৰ্পণ* (চন্দ্ৰকলা সংস্কৃত-হিন্দী ব্যাখ্যাসহ), বাৰাণসী ঃ কৃষ্ণ দাস একাডেমী।

১০) শৰ্ম্মা, পণ্ডিত তীৰ্থনাথ, *সাহিত্য-বিদ্যা পৰিক্ৰমা* (১৯০৭ শক), বাণী প্ৰকাশ।

১১) শাস্ত্ৰী, ড° বিশ্বনাৰায়ণ, *সাহিত্যদৰ্পণ* (১৯৯৯), অনুবাদ আৰু সম্পাদনা, গুৰাহাটী ঃ শৰাইঘাট প্ৰকাশন।

১২) শাস্ত্ৰী, আচাৰ্য্য মনোৰঞ্জন, *সাহিত্যদৰ্শন*।

১৩) *সাহিত্যদৰ্পণ* লক্ষীটীকাসহ; বাৰাণসী ঃ চৌখাম্বা সংস্কৃত ছিৰিজ, অফিচ।

১৪) *সাহিত্যদৰ্পণ* চন্দ্ৰকলাসংস্কৃত-হিন্দী ব্যাখ্যোপেতম্; বাৰাণসী ঃ কৃষ্ণদাস অকাডেমী।

১৫) সিদ্ধান্তবাগীশ, হৰিদাস, সম্পাদক, *সাহিত্যদৰ্পণঃ* (বিশ্বনাথ বিৰচিত), কলিকাতা।